**2 0 2 1**

( Held in 2022 )

ASSAMESE

( Major )

Paper : 5.6

( Non-CBCS )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *An Introduction of Descriptive Linguistics* শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?

(খ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম লিখা।

(গ) আৰবী ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(ঘ) কোন শ্ৰেণীৰ ভাষা বাক্যত শব্দবোৰৰ স্থান অনুযায়ী ভিন্ন অৰ্থ হয়?

(ঙ) ভাষা জন্মগত বা আনুবংশিক হয় নে নহয়?

(চ) কোনে 'হিন্দুস্তানী' নামেৰে এটা কৃত্ৰিম ৰাষ্ট্ৰভাষা ভাৰতত চলাবলৈ মানস কৰিছিল ?

(ছ) স্থানীয় উপভাষাৰ সংকীৰ্ণ ৰূপক কি বোলে ?

(জ) 'এছপিৰেন্টো' নামৰ কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষাটোৰ উদ্ভাৱক কোন ?

(ঝ) অন্ধবিশ্বাসৰ কাৰণে হোৱা ধ্বনি পৰিবৰ্তনৰ এটা উদাহৰণ দিয়া ।

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪=৮

(ক) কেন্টুম আৰু সতম্ বিভাগ দুটাৰ কথা কোনে আৰু কেতিয়া প্ৰথমে উল্লেখ কৰিছিল ?

(খ) ভাষাৰ কোন দুটা বৰ্গীকৰণক অধিক বিজ্ঞানসন্মত বুলি মানি লোৱা হয় ?

(গ) "সাহিত্যৰ মাজেদিও ভাষাৰ স্থিৰতা ৰক্ষা হয় ।" কথাষাৰ বুজাই লিখা ।

(ঘ) সমতুল্য ভাষা বুলিলে কি বুজা ?

(ঙ) পৃথিৱীৰ যি কোনো দুটা মিশ্ৰ ভাষাৰ নাম লিখা ।

(চ) প্ৰগত ব্যঞ্জন-সমীভৱনৰ দুটা উদাহৰণ দিয়া ।





৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ভাষাৰ মাজত পাৰিবাৰিক সম্পৰ্ক স্থাপনৰ গুৰুত্ব

(খ) ভাৰতহিট্টী ভাষা

(গ) ভাষাৰ 'পাটোই' আৰু 'পাৰ্লে' অৱস্থা

(ঘ) সমাজ ভাষাবিজ্ঞান (Sociolinguistics)

(ঙ) এছপিৰেন্টো ভাষাৰ ভাষাগত বৈশিষ্ট্য

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা ? আকৃতিমূলক বৰ্গীকৰণ সম্পৰ্কে বিতংকৈ আলোচনা কৰা । ৩+৭=১০

*অথবা*

(খ) পৃথিৱীৰ প্ৰধান ভাষা-পৰিয়ালকেইটাৰ উল্লেখ কৰি ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা । ৩+৭=১০

৫। (ক) "জাতিৰ নিচিনাকৈ কোনো সংস্কৃতিৰ সীমাৰ লগতো ভাষাৰ সীমা যোগ নহয় ।" এই মন্তব্যৰ আঁত ধৰি ভাষাৰ সৈতে জাতি আৰু সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰা । ১০

*অথবা*

(খ) উপভাষা আৰু সাধুভাষাৰ সংজ্ঞা বিচাৰ কৰি উপভাষাই কেনেদৰে সাধুভাষাৰ মৰ্যাদা লাভ কৰে, অসমীয়া ভাষাৰ উদাহৰণেৰে বুজাই লিখা । ৪+৬=১০

৬। (ক) ধ্বনি পৰিৱৰ্তন বুলিলে কি বুজা? ধ্বনি পৰিৱৰ্তনৰ কাৰণসমূহ আলোচনা কৰা। ২+৮=১০

অথবা

(খ) তলত দিয়া যি কোনো চাৰিটা ধ্বনি পৰিৱৰ্তনৰ দিশৰ বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

স্বৰ-বিষমীভৱন ; পৰাগত স্বৰ-সমীভৱন ; মহাপ্ৰাণীভৱন ; সঘোষীভৱন ; অনুনাসিকীভৱন ; স্বৰভক্তি।

★★★